**Prof. Jagdish Mukhi**
*Governor of Assam*

Raj Bhavan, Guwahati
PIN-781 001

सत्यमेव जयते

তাৰিখঃ ১৫ আগষ্ট, ২০২০

## শুভেচ্ছাবাণী

৭৪ তম্ স্বাধীনতা দিৱসৰ এই পবিত্ৰ ক্ষণত অসমৰ সমূহ জনসাধাৰণলৈ মই মোৰ আন্তৰিক ওলগ আৰু শুভেচ্ছা জ্ঞাপন কৰিছোঁ । এই ঐতিহাসিক দিনটোৱে আমাৰ সকলোৰে মাজত একতাৰ বান্ধোন পুনৰুদ্দীপ্ত আৰু শক্তিশালী কৰক, তাকেই কামনা কৰিছোঁ ।

এই পবিত্ৰ দিনটোত আমাৰ মহান ৰাষ্ট্ৰ তথা জনসাধাৰণৰ সেৱাত আমি নিজকে উৎসৰ্গিত কৰিবলৈ পুনৰবাৰ অংগীকাৰবদ্ধ হওঁ আহক । আজিৰ এই দিনটোত আমাৰ দেশৰ হৃত গৌৰৱ পুনৰুদ্ধাৰ তথা বৃটিচ শাসনৰ কবলৰ পৰা দেশখনক মুক্ত কৰিবলৈ আত্মবলিদান দিয়া মহান নেতাসকলক আমি শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ আৰু তেওঁলোকলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ । সৰু-সুৰা মতপাৰ্থক্যসমূহ পৰিহাৰ কৰি এখন শক্তিশালী ৰাষ্ট্ৰ নিৰ্মাণত পুনৰ অঙ্গীকাৰবদ্ধ হোৱাৰ বাবে এয়াই উপযুক্ত সময়, য'ত আমি সকলোৱে মৰ্যাদা সহকাৰে বাস কৰিব পাৰোঁ ।

যিহেতু ক'ভিড-১৯ মহামাৰীয়ে সমগ্ৰ ৰাজ্যখনককে ছানি ধৰিছে, সেয়েহে এই মহামাৰীৰ বিৰুদ্ধে যুঁজ চলাই যোৱা ক'ভিড যোদ্ধাসকলৰ ত্যাগক মই অন্তঃকৰণেৰে স্বীকাৰ কৰিছো ।

আজিৰ এই পবিত্ৰ দিনটোত ন'ভেল কৰোনা ভাইৰাছৰ পৰা আমাক সুৰক্ষিত কৰিবলৈ অবিৰতভাৱে কাম কৰি থকা ক'ভিড যোদ্ধাসকলৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ মই ৰাজ্যখনৰ প্ৰতিগৰাকী ব্যক্তিকে আহ্বান জনালোঁ । জীৱনৰ প্ৰতি ভাবুকি আহিব পৰা এই পৰিস্থিতিতো ২৪ ঘন্টাই আমাৰ বাবে সংবাদ পৰিবেশন কৰি অহা সংবাদ মাধ্যমৰ লোকসকলৰ প্ৰতিও মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ । অসমৰ জনসাধাৰণক দেশপ্ৰেমৰ মনোভাবেৰে এই দিৱস উদযাপন অনুষ্ঠানত যোগদান কৰিবলৈ মই আহ্বান জনালোঁ । আজিৰ এই পৱিত্ৰ ক্ষণত আমাৰ স্বাধীনতাৰ বাবে সংগ্ৰাম কৰা সকলো দেশপ্ৰেমিকৰ ওচৰত আমি শ্ৰদ্ধা সহকাৰে শিৰনত কৰোঁ আহক ।

**জয় হিন্দ**

জগদীশ মুখী

ৰাজভৱন
গুৱাহাটী, অসম ।

(অধ্যাপক জগদীশ মুখী)
ৰাজ্যপাল, অসম